শূন্যবাদ:

দৰ্শনর শূন্যবাদ এটা অতি গুরুত্বপূর্ণ দাৰ্শনিক মতবাদ। ইয়াৰ ইংৰাজী প্ৰতিশদ Nihilism'। এই Nihilism' শব্দটো লেটিন (Latin) 'Nihil' শব্দৰ পৰা লোৱা হৈছে। "Nihil' শব্দর অৰ্থ হৈছে 'Nothing' অৰ্থৎ একোৱেই নাই। এই শূন্যবাদ হৈছে এনেকুৱা এটা স্বাৰ্শনিক মতবাদ য'ত জীৱনৰ সকলো অৰ্থৱহ দিশক নিষেধ কৰা হয়। গ্ৰীক দাৰ্শনিক আৰু চফিউ (Sophier) , (Gorgias) হৈছে প্ৰথম ব্যক্তি দিয়ে চেন্যবাদত বিশ্বাস করিছিল। অতি সাধাৰণভাবে শুন্যবাদৰ ধাৰণাটোক অস্তিত্ববাদী শূন্যবাদর  ৰূপত উপস্থাপন কৰা হয় আৰু অস্তিত্ববাদী দৰ্শনত এই তত্ত্বৰ মুখ্য প্ৰণেতা হ'ল ফ্ৰেমিক নীটছে।

নৈতিক শূন্যবাদ (Moral or Ethical Nihilism):

চৰম নৈতিকতা বুলি একো নাই,ভাল-বেয়া বুলি একো নাই। নৈতিক শূন্যবাদ এটি বিশেষ প্ৰকাৰণ শূন্যবাদ। এই মতবাদ অনুসৰি বিচাৰৰ কোনো চৰম আদালত নাই যত কিবা বস্তুক ন্যায়সংগতভাবে প্ৰমান কৰা যায়। নৈতিকতাব সনন্ত্ৰ ব্যাখ্যাই সমভাবে অসমধনীয়। ঢাকা-বাশার পদ্ধতি সম্পৰ্কে বিবিধ মতামত আছে আৰু তাৰ মাজত কোননে যথাৰ্থ তাক বাছি লোৱাৰ কোনো উপায় নাই। কিন্তু নীটছে সকলো নৈতিকতাক অস্বীকাৰ কৰি শুন্যবাদক সমৰ্থন কৰিলেও তেওঁ শূন্যবাদৰ অচনত বশ্যতা স্বীকাৰ কৰা নাই।

ধৰ্মীয় শূন্যবাদ:

ধৰ্মীয় শূন্যবাদও নীচছে সমস্ত ধৰ্মীয় মান্যতাক অস্বীকাৰ কৰিছে। এই ক্ষেত্ৰাধ তেওঁ বিশেহকৈ ৰীষ্টান একি সমালোচনা কৰিছে আৰু এই  ধৰ্মৰ  নীতি-নিয়মক মানব সমাজৰ বাবে হানিকৰ বুলি মন্তব্য কৰিছে। নীটছে খ্ৰীষ্টান ধমকি তেওঁৰ নোটবুকৰ অন্তৰ্গত এটা অধ্যায় 'European Nihilism' আলোচনা কৰিছে। এই অধায়টো কেবি "Tim Will to Power' প্ৰস্থখনতো সন্নিবিষ্ট হৈ আছে। ইউৰোপিয়ান শূন্যবাদৰ দ্বাবা নাঁটছে গ্ৰীষ্টান নৈতিকতাক সরন করি সশ্বধর অদ্ৰিত্বক অস্বীকাৰ কৰিছে।